# ফট’

সন্ধিয়াৰ বিয়াঘৰ। টে’ন্ট-হাউছৰ সুকৌশল সজ্জা—দুঘৰৰ আগচোতাল মিলাই উলিওৱা অকণমানি ঠাইতে আনি দিছে প্ৰশস্ত কাৰেংঘৰৰ অভ্যন্তৰৰ ধাৰণা। সুদৃশ্য অভ্যৰ্থনাথলী। মজিয়াত কোমল দলিচা, ফুলৰ টাব, কৃত্ৰিম বেৰ, চন্দ্ৰতাপ, ফুলৰ থোপা ঝুলিছে অ’ত-ত’ত, প্লাষ্টিকৰ কৃত্ৰিম ঝাড় লণ্ঠন আৰু টিউব-লাইটৰ ঝলমল ঔজ্জ্বল্য; সুচাৰুৰূপে স্থাপিত বিভিন্ন খণ্ডত প্লাষ্টিকৰ চকিত বহি বিভিন্ন অতিথি, পৰস্পৰ সম্ভাষণ-বিনিময়, মিচিকি হাঁহি আৰু উচ্চ হাস্য, বিক্ষিপ্ত মৃদু কথা-বাৰ্তাৰ গুণগুণ; ছোৱালী আৰু মহিলাসকলৰ দামী-দামী চৌখিন খমখমীয়া মেখেলা-চাদৰ আৰু শাড়ী, বিচিত্ৰ কেশসজ্জা আৰু গা-ভৰা গহনাৰ ঝলক, এটা পৰিচিত আনন্দমুখৰ পৰিৱেশ। ভিতৰলৈ ফুলৰ মালা আৰু ৰংচঙীয়া এলুমিনিয়ামপাতেৰে সুশোভন সৰু মঞ্চত কইনা, হাতত গুৰামুৰিৰ শৰাই, লগত দুজনী লগৰী। প্ৰৱেশ-তোৰণত কইনা-ঘৰৰ দুজন মানে অভ্যাগতসকলক আদৰণি জনাইছে আৰু প্ৰথমেই লৈ গৈছে মাত দিবলৈ কইনাজনীক—মোৰ মাজুমামাৰ ডাঙৰ ল’ৰা অজয়ৰ ডাঙৰ জীয়ৰী জোনালী।

মই হাতত এটা ক’ডাক্ কেমেৰা লৈ ফট’ তুলি ফুৰিছোঁ। আমাৰ ভুঞা-বংশৰ শাখা-প্ৰশাখাৰ বিস্তৃতি ব্যাপক, আমাৰ নিজৰ আত্মীয়-কুটুম্বেৰেই ৰভা-তল আধা-আধি ভৰি পৰিছে, তাৰে বহুতো বিয়া বুলি আহিছে বাহিৰৰপৰাও। বহু দিন নেদেখাৰ পাছত ইজনে সিজনক লগ পোৱা হৰ্ষোচ্ছ্বাস ধ্বনিত হৈছে, গালে-মুখে আনন্দ বিৰিঙি উঠিছে; ধুবুৰীৰ ৰাণু মাহীয়ে দুলিয়াজানৰ মাধৱীক লগ পাই প্ৰায় আঁকোৱালি ধৰিছে, মই পাৰ হৈ যাব ধৰিছিলোঁ, লগে-লগেই কেমেৰাৰ বুটাম টিপি দিলোঁ, মুখত ফ্লেশ্বৰ ঝিলিক পৰাত দুয়ো ঘূৰি চালে, মুখত হাঁহি ফুটি উঠিল, ৰাণু মাহীয়ে ক’লে, “অ’ বাপু! তোমাক দেখাই নাছিলোঁ—”; অনভ্যস্ত মেখেলা-চাদৰ সামৰিবৰ চেষ্টা কৰি-কৰি অকণমানি ডিম্পীয়ে হাতত এটা তামোল-পাণৰ বটা লৈ মহা উৎসাহেৰে মানুহক যাচি ফুৰিছে, চিঞৰিলোঁ, “ডিম্পী—হল্ট্ট! এইপিনে চোৱা—হাঁহি দিয়াচোন—ক্লিক্—আ, বঢ়িয়া হৈছে, তোমাৰ ফট’ একদম ফাৰ্ষ্টক্লাছ”; “এই যে বৰবৰা, আহক-আহক (শ্ৰীমতী বৰবৰাক ঃ “ভাল আপোনাৰ?”)—অ’, এইজনী ৰিংকি নেকি—ওৱা, ইমান ডাঙৰ হ’ল! ৰিংকি, মই বাপু খুৰা, মনত আছে নে নাই—বাঃ, তোমাকে দেখোন কইনাজনী যেন লাগিছে—স্নেপ্ এটা লওঁনে—অ, বাৰু, ৰিংকি, আৰু অলপ কাষলৈ আহঁা—মাৰ হাতত ধৰা—হাঁহি দিবা দেই—ক্লিক্—আ, বঢ়িয়া—”

খিলখিল হাঁহিৰ জাউৰি—দেখিলোঁ প্ৰৱেশ-পথৰ বাওঁহাতৰ চুকটোত কেইখন মান চকিত বহি লৈছে জয়া, জবা, জুনজুনি, বিৰজা বাইদেউ, মণিমা, বেবী বৌ আৰু নৱনীতা, হাতে-হাতে একোটা আইচক্ৰীমৰ বাতি, কিবা গল্প বাহিৰ কৰি ইগৰাকীয়ে সিগৰাকীৰ গাত প্ৰায় বাগৰি পৰি বিভোল—সন্মুখত গৈ ৰ’লোঁ, কেমেৰাটো ফ’কাছ কৰিলোঁ, তেওঁলোকে হাঁহি বন্ধ নকৰাকৈয়ে কেমেৰাৰ পিনে চালে—ফ্লেশ্বটো টিপিব খোজোঁতেই চকুৰ কোণেৰে দেখিলোঁ নীলু সোমাব ধৰিছে—ৰৈ গ’লোঁ, ক’লোঁ, “এক মিনিট—এতিয়াই আহিম”, আৰু নীলুৰ পিনে আগুৱাই গ’লোঁ—অলপ যেন সেমেনা-সেমেনি সংকোচৰ ভাৱেৰে নীলু সোমাই আহিছে, হাতত এটা উপহাৰৰ পেকেট, অলপ অনিশ্চয়মুখে ইপিনে সিপিনে চালে, চকুত পৰিল অদূৰত এগৰাকী মহিলাৰ লগত থিয় হৈ কথা পাতি আছে মাজু মামী—মামী অলপ আচৰিত হোৱাৰদৰে মহিলাগৰাকীক এৰি আগুৱাই আহিল, নীলুৰ কান্ধত হাত থ’লে, ক’লে, “অ নীলু আহিলি? বৰ ভাল হ’ল দে—ইহঁতক নানিলি? আহ, আহ, আগে জোনালীক দেখা দি ল”, এইবুলি নীলুক কইনাৰ কাষলৈ লৈ গ’ল, নীলুৰ মুখৰ অনিশ্চয় ভাৱটো কাটি গৈ এতিয়া মুখত এটা স্মিত হাঁহি খেলিছে, মোৰ পিনে চাই ক’লে, “অ’, বাপুদা?”, আৰু জোনালীও যেন অলপ আচৰিত হৈ—কিন্তু হাঁহিমুখেই কৈ উঠিল, “অ’, নীলুদা, আহিলা? ইমান যে ভাল লাগিল—”, মামীয়ে ক’লে, “সেয়া তোৰ মামা-আতা বহি আছে, যা মাতটো দি আহ—”

আচলতে, নীলু যে আহি ওলাব সেইটো কোনেও আশা কৰা নাছিল, কাৰণ আজি প্ৰায় আঢ়ৈ বছৰ হ’ল আমাৰ ভুঞা-বংশৰপৰা নীলু বাহিৰ হৈ গৈছে। কথা-বতৰা, পঢ়া-শুনাত সি ভালেই আছিল মেট্ৰিকলৈকে, তাৰপাছত বোধহয় কুসংগত পৰিল, ৰাতি দেৰিকৈ ঘৰলৈ ওভতে, মদ খায় বুলি গুজৱ শুনা যায়, পৰীক্ষাবোৰ আধা দিয়ে আধা নিদিয়ে, বি-এত দুবাৰ বেয়া কৰিলে (তাৰপাছত পাছ কৰিলে নে নাই নাজানো)। সিহঁতৰ ঘৰলৈ বন কৰিবলৈ আহে ভেবেলীবাই, লগত আহে ১৪/১৫ বছৰীয়া জীয়েক প্ৰভা, মাকে কাম কৰা সময়খিনি তাই ই-কোঠা সি-কোঠা ঘূৰি ফুৰে, ঘৰত সেই সময়ত অকল বাইদেউ-ভিনটি থাকে, প্ৰায়ে নীলুও থাকে—কি যে হ’ল, হঠাৎ এদিন সি ঘোষণা কৰিলে যে সি প্ৰভাক বিয়া কৰাব—সকলো হতভম্ব, ভিনটিয়ে ক’লে, তোৰ বিয়া কৰিবৰ বয়স হোৱা নাই, আৰু চাকৰনী ছোৱালী এজনী আনি মোৰ ঘৰত সুমুৱাব নোৱাৰ—আচলতে অৱশ্যে প্ৰভা ঠিক চাকৰনী ছোৱালী নাছিল, ভেবেলীবাইৰ লৰালৰি থাকিলে কেতিয়াবা দুই-এটা কোঠালি সাৰি দিয়ে বা দুই-এখন কাপোৰ ধুই দিয়ে, সেয়ে মাত্ৰ—সি ক’লে, নাই, সি বিয়া কৰাবই, ভিনটিয়ে ক’লে, তই বিয়া কৰ কিবা কৰ য’তে মৰ মৰ, তই মোৰ ঘৰৰপৰা বাহিৰ হৈ যা—সি তাকে কৰিলে, চহৰৰ দুখীয়া লেতেৰা অঞ্চল এটাৰ ক’ৰবাত এটা চালিঘৰ ভাৰা ল’লে, প্ৰভাৰ লগত তাতে বিয়া পাতিলে—টকা-পইছা ক’ত পালে বুজা নগ’ল, বোধহয় তাৰ ‘ইয়াৰ’বোৰে কিছু সহায় কৰিলে—তাৰপাছত আঠ মাহ নৌ যাওঁতেই প্ৰভাৰ এজনী ছোৱালী উপজিল—ইমান আগতীয়াকৈ? তাৰ মানে কি—? তাৰ মানে কি নীলুৱে আগন্তুক ঘটনাৰ নিশ্চয়তা দেখি বিয়া কৰাবলৈ বাধ্য হ’ল? কেলেংকাৰীটোত এটা নতুন উপাদানৰ সংযোজন ঘটিল, অন্যৰ বাবে হয়তো দ্বেষপূৰ্ণ মুখৰোচক, কিন্তু আত্মাভিমানী ভুঞা-বংশৰ বাবে অস্বস্তিকৰ লজ্জাৰ উৎস। কোনেও অৱশ্যে প্ৰকাশ্যে ‘ছিঃ-ছিঃ’ বা ‘ধিক্-ধিক্’ নকৰিলে, কিন্তু সকলোৰে মনত কথাবোৰে কাঁইট বিন্ধা দি বিন্ধি থাকিল। লাহে-লাহে কথাবোৰ তল পৰিল, কিন্তু ভুঞা-বংশৰপৰা নীলু হৈ পৰিল সম্পূৰ্ণ বিচ্ছিন্ন, সকলোৰে মৰমৰ হাঁহিমুখীয়া নীলুক আৰু কোনেও লগ নোপোৱা হ’ল—কিন্তু জোনালীৰ বিয়া আহি পৰাত মামীয়ে তাৰ কথা মনত পেলালে, মামায়ো ক’লে, “অ, যি হৈছে হৈছে, কিন্তু সি হাজাৰ হওক ঘৰৰে ল’ৰা, ঘৰৰ এটা শুভকৰ্মৰ সময়ত তাক মতাটো আমাৰ কৰ্তব্য”, তেওঁ অজয়ক পঠিয়ালে তাক বিচাৰি উলিয়াবলৈ—

*** *** ***

নীলুৰ কান্ধত হাত ৰাখি মই তাক কইনাৰ কাষৰপৰা আঁতৰাই আনিলোঁ, এনেয়ে কথাচ্ছলে কোৱাৰদৰে ক’লোঁ, “কি কৰিছ অ’ নীলু আজিকালি?”, “নাই, মই আৰু শচীনে যে ফট’গ্ৰাফীৰ ষ্টুডিঅ’টো খুলিছিলোঁ, সেইটো তো কেতিয়াবাই বন্ধ হৈ গৈছিল, জানাই বোধহয়—মানে ষ্টুডিঅ’ত হেৰইন ষ্টক্ কৰি ৰাখা হৈছিল বুলি তাক পুলিচে এৰেষ্ট কৰিলে—আচলতে তাত হেৰইন-টেৰইন একো নোলাল—কিন্তু পুলিচে ফলৃছ কে’ছ দি আমাৰপৰা বহুত টকা খালে—ষ্টুডিঅ’ বন্ধ হৈ গ’ল। এতিয়া মই সেইটোকে আকৌ ষ্টাৰ্ট কৰাৰ চেষ্টা কৰি আছোঁ—ষ্টুডিঅ’ অজন্তা—” (অ, মই মনে-মনে ভাবিলোঁ, নীলুৱে ড্ৰাগছতো ধৰিছে, এনেকুৱা এটা গুজবো তো আমি শুনিছিলোঁ, কিন্তু ক’লোঁ) “অ—চলিছে নে?”

"নাই, আৰম্ভ দিব পাৰাই নাই, নতুন এ'কুইপমে'ন্টৰ কাৰণে বহুত টকা লাগে—ষ্টেট বেংকৰপৰা এটা ঋণ পাওঁ নেকি ট্ৰাই কৰি আছোঁ—"

"অ, আজিকালি বহুত ৰকমৰ বেংক ল'ন পোৱা যায়—চেষ্টা কৰি থাক, পাই যাবি—অ, বাৰু, এই যে বেবী বৌহঁত বহি আছে, আহ, মাত দে—"

বেবী বৌহঁতৰ হাস্যমুখৰ চুকটোলৈ আহিলোঁ, নীলুৱে তাৰ আগৰ সেই সহজ-সৰল হাঁহিটোৰে তেওঁলোকৰ সন্মুখত থিয় দিলে, সকলোৱে যেন সচকিত হৈ হাঁহি বন্ধ কৰিলে, ইগৰাকীয়ে সিগৰাকীৰ চকুৰে-চকুৰে চালে, নিমিষৰ ভিতৰতে যেন তেওঁলোকৰ মাজত এটা ক্ষিপ্ৰ বুজাবুজি বিনিময় হৈ গ'ল, যাৰ মৰ্মাৰ্থটো বোধহয় এয়ে যে 'এটা শুভকৰ্মৰ আনন্দৰ মাজত সি আহি ওলাইছে, তাৰ মনত দুখ নিদিবা'—লগে-লগে যেন তাক আদৰিবলৈ সকলো ব্যস্ত হৈ উঠিল, সকলোৰে মুখত আকৌ হাঁহি বিৰিঙিল, "অ', নীলু আহিলা—" "অ' নীলুদা, আপুনি আজিকালি আমাৰ খবৰেই নকৰা হ'ল" "অ' নীলু মামা। তোমাৰ দেখোন দেখাদেখিয়েই নাই—", বিৰজা বাইদেউৱে ক'লে, "এই জবা, তই এই পিছপিনৰ চকিখনলৈ যাচোন— নীলু, আহাঁ, ইয়াতে মোৰ লগতে বহাঁ—অ বাপু, ফট' তুলিব খুজিছিলি নহয়, ল এতিয়া আমাৰ আটাইৰে ফট' এখন তোল—"

কেমেৰা ফ'কাছ কৰিলোঁ—বিৰজা বাইদেউ আৰু নৱনীতাৰ মাজত নীলু, নীলুৰ পিছপিনে তাৰ ডিঙিৰ সোঁয়ে-বাওঁয়ে জবা আৰু বেবী বৌ—

"—জয়া,আৰু অলপ কাষ চাপি বহাঁ—নীলু, এইপিনে চাবি—আ, ঠিক এনেকৈ সবে হাঁহি থাকিব দেই—ষ্টেডী-ৰেডী-ক্লিক্—"

*** *** ***

বিয়াৰ পাছত, এতিয়া, প্ৰিন্ট কৰাই অনা ফট'বোৰ চাইছোঁ—সুন্দৰ ছবি উঠিছে, মুখবোৰৰ অভিব্যক্তি ধুনীয়াকৈ ফুটি উঠিছে, ছাঁ আৰু পোহৰ ঠিক-ঠিক ঠাইত পৰিছে—এখন-এখনকৈ চাই গৈছোঁ—এই যে নীলুহঁতৰ গ্ৰুপ ফট'খন, বঢ়িয়া উঠিছে, সকলোৰে মুখত খুচীৰ উচ্ছল হাঁহি (মাথোঁ জুনজুনিৰ মুখখন অলপমান কটা গৈছে)—

কিন্তু মনত কিবা এটা সন্দেহে বিন্ধিছে। আত্মীয়-স্বজনৰ মাজত আগৰদৰে বহি থকা নীলুৰ মুখত আগৰদৰেই সেই সহজ-সৰল হাঁহি—এইটো হ'ব পাৰে নে? সিওতো ভালদৰেই জানে যে সি এতিয়া ভূএগ্ৰা-বংশৰ পৰিমণ্ডলৰ বাহিৰত, কিন্তু তাৰ হাঁহিত তো ফুটি উঠা নাই কোনো খেদ বা ক্ষোভ, সিওতো জানে যে আজি এতিয়া প্ৰিয়-পৰিজনপৰিবেষ্টিত হৈ বহি আছে যদিও, আগৰ সহজ সম্বন্ধবোৰ তো আৰু নাই, সেই উপলব্ধিত নিহিত ব্যথা বা দুখ নিশ্চয় সিও অনুভৱ কৰিছে, কিন্তু তাৰ কোনো আভাস তো এই ফট'খনত নাই! চীনা প্ৰবাদত কৈছে, 'হাজাৰটা শব্দতকৈ এখন ছবি বেছি প্ৰকাশক্ষম', কিন্তু ক'ত, এইখন ফট'ত তো তাৰ শোক বা বেদনাৰ কোনো ৰেশ দেখা নাযায়?

আমি হয়তো মন নকৰোঁ যে আজিৰ যুগত আমাৰ চাল-চলন আৰু আমাৰ ভাব-ভংগী সূক্ষ্মভাৱে প্ৰভাৱিত কৰে চলচ্চিত্ৰই। আমি অলক্ষ্যেই অনুকৰণ কৰোঁ আমাৰ প্ৰিয় অভিনেতা-অভিনেত্ৰীৰ কথা-বতৰাৰ ধৰণ, খোজ-কাটল, চকুৰ চাৱনি, চুলিৰ ষ্টাইল, গোঁফৰ ছাট, হাঁহি আৰু বিৰাগৰ অভিব্যক্তি, সাজ-পোছাক, ভ্ৰূভংগী। (এইবোৰৰ এটা আমোদজনক উদাহৰণ হ'ল এই যে এসময়ৰ হলিউডৰ তথা বিশ্বৰ প্ৰবাদ-প্ৰেমিক আৰু 'হাৰ্টথ্ৰব্' ক্লাৰ্ক গেব্‌ল-এ It Happennd One Night ছবিৰ এটা দৃশ্যত যেতিয়া গাৰ কামিজটো খুলিলে, দেখা গ'ল যে তাৰ তলত কোনো গেঞ্জি নাই—লগে-লগেই শ-শ মাৰ্কিন যুৱকে পিন্ধিবলৈ এৰি দিলে গেঞ্জি, গেঞ্জিৰ বিক্ৰী গ'ল হু-হুকৈ নামি, মাৰ্কিন অন্তৰ্বাস-উদ্যোগত আহি পৰিল দাৰুণ সংকট!) হামফ্ৰী বগাৰ্ট্ বা গেৰী কুপাৰে যেতিয়া চকুটো কোঁচাই ধীৰে-ধীৰে চিগাৰেটডাল জ্বলায়, স্তব্ধ প্ৰেক্ষাগৃহত বৈ যায় এটা শিহৰণ, সেই ভংগীমা আমাৰ অৱচেতনত থাকি যায়। ছোৱালীয়ে অজানিতে অনুকৰণ কৰে ছফিয়া লৰেনৰ মুখৰ আৱেগ বা অৱজ্ঞাৰ ক্ষুদ্ৰ-ক্ষুদ্ৰ বৈশিষ্ট্য, আভা গাৰ্ড্‌নাৰৰ অতি সাধাৰণ কথা-বাৰ্তাত সংপৃক্ত হৈ থকা যৌনতাৰ অভিব্যঞ্জনা। তজবজীয়া তেজৰ চঞ্চল তৰুণ দৰ্শকে ৰোমাঞ্চিত হৈ চায় কেনেকৈ আমাৰ পিনে পিঠি দি তলমুৰা হৈ ডেকা বয়সৰ মাৰ্লন ব্ৰাণ্ড'ই আধা ফুটা-আধা নুফুটা মাতেৰে বিৰবিৰকৈ কিবা কৈ-কৈ হঠাৎ সমুখলৈ ঘূৰি কাৰোবাক ধম্‌কৈ ঘোচা এটা মাৰি বগৰাই দিয়ে—

আৰু যেতিয়া আমাৰ জীৱনত আহি পৰে কোনো এটা নতুন পৰিস্থিতি, হয়তো তেতিয়াও আমাৰ সোঁৱৰণীয়ে টানি আনে অতীতত দেখা কোনো চিনেমাৰ অনুৰূপ বা সমান্তৰাল কোনো দৃশ্য, আমাৰ মনত খেলায়, তেতিয়া চিনেমাখনত চৰিত্ৰবোৰে কি-কি কৰিছিল, ঘটনাটো কিদৰে আগবাঢ়িছিল? এই ক্ষেত্ৰত—নীলুৰ মুখৰ অবিশ্বাস্য হাঁহিটোৰ ক্ষেত্ৰত—মোৰ মনলৈও ভাহি আহিল কাহানিবাই দেখা এখন বোলছবিৰ কথা—মিকেলাঞ্জেল' আন্টনিয়নিৰ দুৰ্বোধ্য কিন্তু ৰোমাঞ্চকৰ কথাছবি **ব্ল' আপ্ (Blow Up)**ঃ এজন সুনিপুণ ফট'গ্ৰাফাৰে এদিন এখন পাৰ্কত অকস্মাৎ দেখা পালে আলিংগনাবদ্ধ এহাল প্ৰেমিক-প্ৰেমিকাক—লগে-লগেই তেওঁ এখন ফট' তুলি পেলালে—তাৰপাছত কিবাকিবি ঘটনা—তাৰপাছত ফট'খন ডেভেলপ্ কৰি লক্ষ্য কৰিলে যে ছোৱালীজনীৰ মুখত ফুটি উঠিছে এটা প্ৰবল আশংকাৰ ভাব—ভীতিবিহ্বল চকুৰে যেন চাবৰ চেষ্টা কৰিছে দূৰৰ কিবা এটা বস্তু। সেই দৃষ্টি অনুসৰণ কৰিলে দেখা যায় যে তাই চাই আছে কিছু দূৰত থকা পাৰ্কৰ জেওৰাখনৰ পিনে—জেওৰাখনৰ খুঁটিবোৰৰ ফাঁকবোৰ চানি ধৰিছে গছ-পাতৰ ঘন আৱৰণে—কি আছে তাত, কি দেখিছে ছোৱালীজনীয়ে? ফট'গ্ৰাফাৰে বহি-বহি ভাবিলে, তাৰপাছত তেওঁৰ ডাৰ্ক-ৰুমত ছবিখন বিবৰ্ধিত কৰিলে ('এনলাৰ্জ' কৰিলে), চালে, খুঁটিবোৰৰ দুই-এডাল অধিক স্পষ্ট হৈ দেখা দিছে, পাত-লতাবোৰৰ খুটি-নাটি কিছুমান ওলাই পৰিছে—কিন্তু চকুত পৰা ভয় লগা বস্তু একো নাই—আকৌ বিবৰ্ধিত কৰিলে—আৰু বিবৰ্ধিত কৰিলে—অৱশেষত জেওৰাৰ খুঁটি আৰু পাত-লতাৰ ফাঁকেৰে স্পষ্ট দেখা গ'ল যে—কিন্তু নাই, সেইটো কৈ দিয়াটো অন্যায় হ'ব, কিয়নো তেতিয়া যিসকলে ব্ল'আপ ছবিখন প্ৰথম চাব, তেওঁলোকৰ বাবে দৃশ্যটোৰ উৎকণ্ঠা বা 'ছাছপে'ন্স' নষ্ট হৈ যাব—

মই ফট'গ্ৰাফীৰ একো নাজানো (মাথোঁ কেমেৰাৰ বুটামটো টিপিব জানো), মোৰ কোনো ডাৰ্ক-ৰুমো নাই, কিন্তু নীলুৰ হাঁহিমুখ ফট'খনৰ পিনে চাই-চাই ময়ো কিছু সময় ভাবিলোঁ—চকু মুদিলোঁ—কল্পনা কৰিলোঁ যে ময়ো ফট'খন বিবৰ্ধিত কৰিছোঁ—নীলুৰ ক'লা চুলিৰ মাজে-মাজে দুই-এডাল বগা চুলি দেখা গৈছে, চকুৰ চেলাউৰি আৰু ভ্ৰুকু অধিক স্পষ্ট হৈ ওলাইছে, বিৰজা বাইদেউ আৰু নৱনীতাৰ কাপোৰৰ নক্সা আৰু গহনাবোৰৰ কিছুমান 'ডিটেইলছ্' ওলাই পৰিছে, কিন্তু লগে-লগে পাছপিনৰ জবা আৰু বেবী বৌৰ মুখ দুখন অস্পষ্ট হৈ আহিছে—আকৌ বিবৰ্ধিত কৰিলোঁ, নীলুৰ দুই কাষৰ বিৰজা বাইদেউ আৰু নৱনীতাৰ মুখ কাটি দিলোঁ, মাথোঁ নীলুৰ মুখত বিবৰ্ধন ঘনীভূত কৰিলোঁ। পাছপিনৰ জবা আৰু বেবী বৌৰ মুখ একেবাৰে ঝাপসা হৈ গ'ল, মাথোঁ নীলুৰ মুখখন আৰু ডাঙৰ হৈ ওলাল, তাৰ কামিজৰ কলাৰত মাখি নে কিবা এটা পৰিছে আৰু বুটাম এটাৰ আধা ভাঙিছে, ছবিখনত দানা অৰ্থাৎ 'গ্ৰেইন্' ওলাব ধৰিছে, আৰু বেছি ডাঙৰ কৰা নাযাব—তথাপি আৰু এবাৰ সামান্য বিবৰ্ধিত কৰিলোঁ—ছবিখন দানাই প্ৰায় আবৰি ধৰিছে, কিন্তু অ, এতিয়া সুস্পষ্ট দেখা গৈছে চকুৰ একোণত চিক্‌চিক্ কৰিছে এটা ক্ষুদ্ৰ অশ্ৰুবিন্দু—